# ঈশ্বৰৰ বাক্য বৃদ্ধি পাই থাকে

## এতিয়া আৰু গোটেই ইতিহাসত ঈশ্বৰৰ ৰাজ্য কেনেদৰে বিস্তাৰিত হৈছে - যীচুৱে উদাহৰণ দিছে

**প্ৰাৰ্থনাঃ** "প্ৰিয় প্ৰভু, আপোনাৰ বাক্য যে তেওঁবিলাকৰ বন্ধুৰ অন্তৰত সিচিব পাৰে অনুগ্ৰহ কৰি ল'ৰা-ছোৱালীক এনে সহায় কৰক। ল'ৰা-ছোৱালীৰ অন্তৰত আপোনাৰ বাক্য যেন গুটি দৰে গজি, বাঢ়ে আৰু ফল ধৰে।

ল'ৰা-ছোৱালীৰ বয়স আৰু পাৰমাৰ্থিক প্ৰয়োজনত খাপ খুউৱা কৰিবলগীয়া কামবোৰ বাচি লওক।

কোনো এগৰাকী ডাঙৰ ল'ৰা / ছোৱালী অথবা এগৰাকী বয়সীয়া লোকক চাৰি প্ৰকাৰৰ মাটিৰ কাহিনীটো ক'বলৈ দিয়ক। মথি ১৩ঃ৩-৯ আৰু ১৮-২৩।



বিভিন্ন ধৰণৰ লোকে ঈশ্বৰৰ শুভবাৰ্ত্তা শুনিলে কি হয় **বৰ্ণনা কৰক**।

- ঈশ্বৰৰ ৰাজ্য গোটেই যুগ বিলাকত কেনেকৈ একেৰাহে বৃদ্ধি পাই আহিছে, বৰ্ণনা কৰক।
- কিছুমান লোকে যীচুৰ বাক্য অগ্ৰাহ্য কৰে। আন বিলাকে তাক গ্ৰহণ কৰে।
- চয়তানে ঈশ্বৰৰ লোকবিলাকক আক্ৰমণ কৰে কিন্তু ঈশ্বৰৰ বাক্য একেৰাহে ব্যাপি গৈছে আৰু অনতি পলমে জগতৰ আটাইবোৰ লোকৰ মাজত শিপাব।



**তলত দিয়া প্ৰশ্নবিলাক ল'ৰা-ছোৱালীক কৰক ঃ**

- তিনি ঠাইৰ মাটি বেয়া আছিল। ইয়াৰ কাৰণ কি?
- গুটিয়ে ক'ত শিপা লয়, বাঢ়ে আৰু ফল ধৰে?
- শুভবাৰ্ত্তা কেনেকৈ গুটিৰ নিচিনা হ'ব পাৰে?
- ভাল মাটিত গুটি পৰিলে কি হয়?
- কেনে ধৰণৰ মানুহবোৰ বেয়া মাটিৰ দৰে?
- লোকবিলাকে শুভবাৰ্ত্ত শুনি, বিশ্বাস কৰিলে কি হয়?

### চাৰি প্ৰকাৰৰ মাটিৰ কাহিনীৰ কিছু অংশ নাটক কৰক

- বয়সীয়া সকলৰ আগত নাটক পৰিবেশন কৰিবলৈ উপাসনা চলাওঁতাৰ লগত ব্যৱস্থা কৰক।
- আপুনি ল'ৰা-ছোৱালীক শিকোৱাৰ সময়ত নাটকখন প্ৰস্তুত কৰক।
- ডাঙৰ ল'ৰা-ছোৱালীক সৰুবোৰক সহায় কৰিবলৈ দিয়ক।
- ডাঙৰ ল'ৰা-ছোৱালী অথবা বয়সীয়া সকলৰ তলত দিয়া ভাওবোৰ দিয়ক।

  **বৰ্ণনাকাৰী ঃ** কাহিনীটো সংক্ষেপে কওক আৰু কি কৰিব লাগে নায়ক সকলক বুজাই দিয়ক।

  **খেতিয়ক ঃ** গুটি বুজাবলৈ সৰু সৰু শিলবোৰ গোটাওক।

  **কাইট।**

- সৰু ল'ৰা-ছোৱালীক চৰাইবোৰ, যৱ পুলিবোৰ আৰু কাঁইটীয়া বনৰ ভাওবোৰ দিয়ক।

**বৰ্ণনাকাৰী ঃ** মথি ১৩ঃ৩-৯ পদৰ পৰা গল্পটোৰ প্ৰথম ভাগ কওক। এতিয়া কওক, "বাটৰ কাযত গুটি পৰিলে কি হয়।"

**খেতিয়ক ঃ** এমুঠি গুটি সিচি (পেলাই) দিয়ক।

**চৰাইবোৰ ঃ** গুটি পৰা ঠাইবিলাকলৈ জপিয়াই যায়, হাতবোৰ পাখিৰ দৰে মেলি জোকাৰিব। এতিয়া কেইটামান গুটি মাটিৰ পৰা বুটলি খোৱা যেন কৰিব। (সঁচাকৈয়ে মুখত সেইবোৰ নভৰাব)

**বৰ্ণনাকাৰী ঃ** “শিলনিত পৰা গুটিবোৰৰ কি হ’ল, চোৱা।”

**খেতিয়ক ঃ** আৰু অধিক গুটি সিঁচক।

**ঘেহু ধানৰ গছ ঃ** আপোনাৰ বাহু মেলি থিয় হৈ চাওঁকচোন গুটিবোৰ ক’ত পৰিছে। এতিয়া উজ্জ্বল সূৰ্য্যটোৰ ফাললৈ চাওক, চকু দুটা আপোনাৰ হাতেৰে ঢাকক আৰু মাটিত লাহেকৈ পৰক।

**বৰ্ণনাকাৰী ঃ** “কাঁইটনিত গুটিবোৰ পৰিলে কি হয় চাওঁকচোন।”

**খেতিয়ক ঃ** আৰু অধিক গুটি সিঁচে।

**কাঁইটীয়া বন ঃ** বাহু মেলি গুটি পৰা ঠাইত থিয় হৈ থাকা।

**কাঁইট ঃ** লাহে লাহে ঘেহুঁ ধানৰ গছৰ পিছফালে সোমাই যাওক। এতিয়া অতি দুষ্ট ভাৱেৰে ডাঙৰকৈ চিএঁৰক আৰু হঠাতে তাক ডিঙিত ধৰা যেন কৰক আৰু গিলি দিয়াৰ ভাও দেখুৱাওক।

**কাঁইটীয়া বন ঃ** আপোনাৰ হাত দুখনৰে ডিঙিত ধৰক, আপোনাৰ জিভাখন উলিয়াই দিয়ক, আৰু মাটিত পৰক।

**বৰ্ণনাকাৰী ঃ** “ভাল মাটিত গুটি পৰিলে কি হয় চাওঁক।”

**খেতিয়ক ঃ** আৰু অধিক গুটি সিঁচে।

**ঘেঁহুধানৰ পৰা গছ ঃ** গুটি পৰা ঠাইত বৰ অহঙ্কাৰ ভাৱ দেখুৱাই থিয় হয়, স্বৰ্গৰ ফাললৈ হাত দুখন ডাঙি ধৰে।

**খেতিয়ক ঃ** “চোৱাহঁক! গুটিবোৰ এশগুণ গুটি পুনৰ উৎপন্ন কৰিছে। এই মহান শস্যৰ বাবে গৌৰৱ হওক!

**বৰ্ণনাকাৰী ঃ** কাহিনীটো ২য় ভাগ কওক - মথি ১৩ঃ১৮-২৩।

নাটকত সহায় কৰা আটাইকে ধন্যবাদ জ্ঞাপন কৰক।

## প্ৰশ্নবোৰ

ল’ৰা-ছোৱালীয়ে বয়সীয়া সকলৰ আগত কাহিনীটো পৰিবেশন কৰি ১পৃষ্ঠাৰ পৰা প্ৰশ্নবোৰ সোধক।

গুটিৰ পৰা গজালি উলিওৱা ছবি এখন ল’ৰা-ছোৱালীক আঁকিবলৈ দিয়ক। উপাসনাৰ সময়ত সিহঁতৰ ছবিবোৰ দেখুৱাবলৈ আৰু ঈশ্বৰৰ বাক্য যে এটা গুটিৰ নিচিনা যিহে আমাৰ অন্তৰত শিপা লৈ, বৃদ্ধি পায় আৰু ভাল ফল ধৰে।

পদ্য ঃ তিনি গৰাকী ল’ৰা ছোৱালীক গীতমালা ১ঃ১-৩ একোটাকৈ পদ আবৃতি কৰিবলৈ দিয়ক।



যি মানুহে দুষ্টবোৰৰ আলচত নচলে, আৰু পাপীবোৰৰ পথত থিয় নহয়,
আৰু নিন্দক বোৰৰ আসনত নবহে,
কিন্তু যিহোৱাৰ ব্যৱস্থাত সন্তুষ্ট হয়,
আৰু দিনে ৰাতিয়ে তেওঁৰ ব্যৱস্থা ধ্যান কৰে,
সেই মানুহেই ধন্য। সেই মানুহ বতৰত ফল দিয়া পাত জয় নপৰা,
বোৱতী পানীৰ দাঁতিত ৰোৱা গছৰ নিচিনা;
সেই মানুহে কৰা সকলো কৰ্ম্ম সম্ফল হয়।



**চাৰিজন ডাঙৰ ল’ৰা-ছোৱালীক চাৰি প্ৰকাৰৰ মাটি আৰু সেয়ে কাক বুজায় তাৰে পদ্য অথবা এটি গীত লিখিবলৈ দিয়ক।**

**মুখস্থ কৰক ঃ** পাঁচনিৰ কৰ্ম্ম ৪ঃ১২

**প্ৰাৰ্থনা ঃ** “প্ৰিয় যীচু, আপোনাৰ বিষয়ে আন লোকক কৈ আপোনাৰ ৰাজ্যৰ গুটি সিঁচিবলৈ আমাক সহায় কৰক। আপোনাৰ বাক্য আমাৰ অন্তৰত শিপাবলৈ আৰু ভাল ফল ফলিবলৈ আমি ইচ্ছা কৰোঁ।”

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net.